# অকণ দাসৰ দুটা কবিতা

**আমাৰ পঢ়াশালি**

কণকণ ল’ৰা-ছোৱালী আমি
পঢ়াশালিলৈ যাওঁ,
নানা ৰঙীন ফুলনিৰদৰেই
জিলিকিবলৈ পাওঁ।
ফুলনিৰদৰেই আমি
ডাঙৰ-দীঘল হ’ম,
ভৱিষ্যৎ জীৱনলৈ
শিকিবলৈয়েই ৰ’ম।
অভাৱ-অনাটনৰ মাজেৰেই
আমি আগুৱাম,
এদিন সঁচাকৈয়ে আমি মিলি
পৃথিৱী উজ্বলাম।

**জীৱনৰ নদী**

নীৰৱে নৈ বৈ গৈছে...
আমাৰো জীৱনে গতি কৰিছে।
শৈশৱৰ সোণালী পথাৰ আৰু পৰিৱেশ
দি বাগৰাত হয় সমাৱেশ!
আকাশৰ তলত থাকি পঢ়া– ছবি আঁকা...
পঢ়াশালিৰ সেই দিন আজি যেন চকামকা।